# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 17-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ভাৰত আৰু নিউজিলেণ্ডৰ মাজত আজি প্ৰতিৰক্ষা, শিক্ষা, ক্ৰীড়া, উদ্যানশস্য আৰু বনাঞ্চল বিষয়ৰ ৫ খন চুক্তি স্বাক্ষৰিত হয়।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় চোৰাংচোৱা বিভাগৰ সঞ্চালক তুলচী গাববাৰ্দৰ সৈতে এখন বৈঠকত মিলিত হয়।

৩। কেন্দ্ৰীয় চৰকাৰে ৰে'ল আন্তঃগাথনি উন্নীতকৰণৰ জৰিয়তে যাত্ৰীসকলৰ বাবে সুলভ আৰু আৰামদায়ক ৰে'লযাত্ৰা সুনিশ্চিত কৰিবলৈ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা বুলি ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰিছে।

৪। বৰ্তমান ৰাষ্ট্ৰপতি শাসনত থকা মণিপুৰৰ ২০২৫-২৬ বৰ্ষৰ বাজেট সম্পৰ্কত আজি ৰাজ্যসভাত আলোচনা অনুষ্ঠিত হয়। ***আৰু***

৫। কাবাডী বিশ্বকাপৰ নিজৰ প্ৰথমখন খেলত ভাৰতীয় পুৰুষ দলে ইটালীক ৬৪-২২ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত আজি প্ৰতিৰক্ষা, শিক্ষা, ক্ৰীড়া, উদ্যানশস্য আৰু বনাঞ্চল বিষয়ৰ ৫ খন চুক্তি স্বাক্ষৰিত হয়। দুয়োখন দেশে অৰ্থনৈতিক ব্যৱস্থাৰ পাৰস্পৰিক গ্ৰহণযোগ্যতাৰ চুক্তিও স্বাক্ষৰ কৰে। দুয়োপক্ষই মুক্ত বাণিজ্য চুক্তি আলোচনা আৰু পেচাদাৰী তথা দক্ষ শ্ৰমিকৰ গতিশীলতাৰ বাবে সহজলভ্য ব্যৱস্থাপনাৰ বিষয়ে আলোচনা কৰাৰ কথাও ঘোষণা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টফাৰ লাক্সনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে।

সংবাদ মাধ্যমযোগে দিয়া এটা বিবৃতিত শ্ৰীমোদীয়ে কয়, যে তেওঁলোকে দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ বিষয়ে বিশদভাৱে আলোচনা কৰে আৰু দুয়োপক্ষই প্ৰতিৰক্ষা তথা সুৰক্ষা অংশীদাৰিত্ব শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ কয়, যে যৌথ অনুশীলনৰ লগতে প্ৰশিক্ষণ, বন্দৰ ভ্ৰমণ আৰু প্ৰতিৰক্ষা উদ্যোগতো পাৰস্পৰিক সহযোগিতাৰ বাবে ৰোড মেপ প্ৰস্তুত কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে দুয়োখন দেশৰ মাজত পাৰস্পৰিকভাৱে লাভজনক মুক্ত বাণিজ্য চুক্তিৰ আলোচনা আৰম্ভ কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয় যিয়ে পাৰস্পৰিক বাণিজ্য আৰু বিনিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰিব। তেওঁ লগতে কয় যে ক্ৰীড়া বিজ্ঞান, মনোবিজ্ঞান, চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত সহযোগিতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অহা বছৰলৈ দুয়োখন দেশৰ মাজত থকা ক্ৰীড়া সম্পৰ্কৰ শতবাৰ্ষিকী

উদ্‌যাপন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ভাৰত আৰু নিউজিলেণ্ডৰ মাজত সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদী আৰু উগ্ৰবাদৰ বিৰুদ্ধে সহযোগিতা অব্যাহত থাকিব বুলিও তেওঁ কয়।

নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী শ্ৰী লাক্সনে তেওঁৰ বিবৃতিত কয় যে দুয়োপক্ষই পাৰস্পৰিকভাৱে লাভজনক মুক্ত বাণিজ্য চুক্তিৰ বাবে আগ্ৰহী। নিউজিলেণ্ডে ভাৰতত কুটনৈতিক উপস্থিতি বৃদ্ধি কৰিব বুলিও শ্ৰীলাক্সনে কয়। নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব।

উল্লেখযোগ্য যে শ্ৰীলাক্সনৰ এই ভ্ৰমণৰ লক্ষ্য হৈছে ভাৰত নিউজিলেণ্ডৰ দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰা। ৫ দিনীয়া ভাৰত ভ্ৰমণসূচীৰে নেতাগৰাকীয়ে কালি নতুন দিল্লীত উপস্থিত হয়। এই ভ্ৰমণকালত দেশখনৰ একাধিক মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, ব্যৱসায়ী, সংবাদ কৰ্মী আৰু প্ৰৱাসী ভাৰতীয়ৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে তেওঁক সংগ দিছে। ০০০০

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় চোৰাংচোৱা বিভাগৰ সঞ্চালক তুলচী গাববাৰ্দৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত নেতা দুগৰাকীয়ে দুয়োখন দেশৰ মাজত থকা সামগ্ৰিক আন্তঃৰাষ্ট্ৰীয় কৌশলগত সহযোগিতাৰ বাবে কৌশলগত সুৰক্ষা অন্যতম গুৰুত্বপূৰ্ণ কাৰক বুলি মত প্ৰকাশ কৰে। বৈঠকত তেওঁলোকে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সামৰিক অনুশীলন, কৌশলগত সহযোগিতা আৰু বিশেষকৈ সামুদ্ৰিক প্ৰেক্ষাপটত তথ্য আদান প্ৰদান সহযোগিতা সন্দৰ্ভত পৰ্যালোচনা কৰে। পাৰস্পৰিক কৌশলগত স্বাৰ্থসমূহক আগুৱাই নিয়াৰ দিশত প্ৰতিৰক্ষা উদ্ভাৱনৰ শেহতীয়া উৎকৃষ্টমানৰ প্ৰযুক্তিসমূহৰ ক্ষেত্ৰত কিদৰে সহযোগিতাৰে আগবাঢ়িব পাৰি সেই বিষয়ে দুয়োগৰাকী নেতাই আজিৰ বৈঠকতে আলোচনা কৰে বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা অংশীদাৰিত্বক অধিক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত আজিৰ বৈঠকে যথেষ্ট তাৎপৰ্য বহন কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ৰে'ল আন্তঃগাথনি উন্নীতকৰণৰ জৰিয়তে যাত্ৰীসকলৰ বাবে সুলভ আৰু আৰামদায়ক ৰে'লযাত্ৰা সুনিশ্চিত কৰিবলৈ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা বুলি ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰিছে। দেশত ৰে'ল দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰিবলৈ নিৰন্তৰ প্ৰচেষ্টা অব্যাহত থকাৰ লগতে যোৱা ১০ বছৰত ৰে'লখণ্ডত প্ৰায় ৫ লাখ কৰ্মসংস্থাপন সৃষ্টি হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। আজি ৰাজ্যসভাত ৰে'ল মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত হোৱা এটা পৰ্যালোচনাত অংশগ্ৰহণ কৰি শ্ৰীবৈষ্ণৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ২০২০ চনৰে পৰা ৰে'ল ভাড়া বৃদ্ধি হোৱা নাই আৰু চুবুৰীয়া দেশসমূহৰ তুলনাত আমাৰ দেশত ৰে'ল যাত্ৰা এতিয়াও ব্যয়সাধ্য হৈ আছে। ৰেল দপ্তৰৰ অৰ্থনৈতিক অৱস্থা যথেষ্ট সন্তোষজনক আৰু চৰকাৰে ইয়াক অধিক উন্নত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ২০০৫-০৬ বৰ্ষৰে পৰা দেশত ৰে'ল দুৰ্ঘটনা প্ৰায় ৯০ শতাংশ হ্ৰাস পোৱা বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয় যে এই ক্ষেত্ৰত চৰকাৰে অহৰহ কাম কৰি আছে। ৰে'ল বিভাগৰ সাফল্যসমূহৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতীয় ৰে'ল সেৱাই অন্যান্য ৰাষ্ট্ৰসমূহলৈ যন্ত্ৰপাতি ৰপ্তানি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়াৰ পূৰ্বে আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ সঞ্জয় শেঠে কয় যে ২০১৪

চনৰে পৰা ভাৰতীয় ৰে'ল ৰূপান্তৰকামী পৰিৱৰ্তনৰ সাক্ষী হৈছে। এ আই এ ডি এম কেৰ এম থাম্বিডুৰায়ে আলোচনাত অংশ লৈ ৰে'লসমূহৰ অপৰিছন্ন অৱস্থা আৰু নিম্নমানৰ খাদ্য যোগানৰ বিষয়ে অভিযোগ উত্থাপন কৰে। চি পি আই এমৰ এ এ ৰহিমে কয়, যে ভাৰতীয় ৰে'লৰ প্ৰেক্ষাপটত সুৰক্ষা আৰু নতুন নিযুক্তিৰ অভাৱ - এই দুয়োটা বিষয় ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। এন চি পি-এছ চি পিৰ ফৌজিয়া খান, বি এছ পিৰ ৰামজী, বি আৰ এছৰ ৰবিচন্দ্ৰ বদ্দিৰাজু আৰু আৰ এল এমৰ উপেন্দ্ৰ কুশৱাহাকে ধৰি আন কেইবাগৰাকী নেতায়ো আলোচনাত অংশগ্ৰহণ কৰে।

ooooo

বৰ্তমান ৰাষ্ট্ৰপতি শাসনত থকা মণিপুৰৰ ২০২৫-২৬ বৰ্ষৰ বাজেট সম্পৰ্কত আজি ৰাজ্যসভাত আলোচনা অনুষ্ঠিত হয়। উচ্চ সদনে আজি মণিপুৰ বিনিয়োজন বিধেয়ক ২০২৫ আৰু ৰাজ্যখনৰ ২০২৫ বৰ্ষৰ লেখানুদান প্ৰস্তাৱ সম্পৰ্কত আলোচনা কৰে। এই সম্পৰ্কীয় আলোচনাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ শক্তি সিং গহিলে ৰাজনৈতিক মতানৈক্য দূৰ কৰি মণিপুৰত শান্তি আৰু সুস্থিৰতা ঘুৰাই অনাৰ বাবে কাম কৰি যাবলৈ আহ্বান জনায়। তেওঁ কয়, যে ৰাজ্যখনত যোৱা সময়ছোৱাত সৃষ্টি হোৱা পৰিস্থিতিৰ ফলত প্ৰায় ৬০ হাজাৰ লোক স্থানচ্যুত হ'বলগীয়া হৈছে। এই লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে অধিক পুঁজি আৱণ্টন কৰিবলৈকো তেওঁ আহ্বান জনায়। তৃণমূল কংগ্ৰেছৰ সুস্মিতা দেৱে তথাকথিত ডাবল ইঞ্জিন চৰকাৰ থকা সত্তেও মণিপুৰত এনে পৰিস্থিতিৰ সৃষ্টি হোৱাটো দুৰ্ভাগ্যজনক বুলি অভিহিত কৰে। বিজেপিৰ ড০ অজিত মাধৱৰাও গোপচাড়ে কয়, যে মণিপুৰৰ প্ৰদূষণমুক্ত জলবায়ু বিভিন্ন ঔষধি গছ-লতাৰ বাবে উপযোগী আৰু সেয়েহে এইসমূহৰ অৰ্থকৰী ব্যৱহাৰ সুনিশ্চিত কৰিব লাগে। চি পি এমৰ বিকাশৰঞ্জন ভট্টাচাৰ্য্যই কয়, যে ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন গণতন্ত্ৰৰ বাবে শুভ সংকেত নহয়। তেওঁ মণিপুৰলৈ স্বাভাৱিক পৰিবেশ ঘুৰাই অনাৰ স্বাৰ্থত ভাতৃত্ববোধৰ বান্ধোন শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ooooo

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ড০ দেৱেন্দ্ৰ প্ৰধানৰ আজি পুৱা নতুন দিল্লীত দেহাৱসান ঘটে। তেওঁৰ বয়স হৈছিল ৮৪ বছৰ। প্ৰথমবাৰৰ বাবে লোকসভালৈ নিৰ্বাচিত হৈয়ে অটল বিহাৰী বাজপেয়ী মন্ত্ৰীসভাত তেওঁ স্থল পৰিবহণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ আৰ এছ এছৰ আজীৱন সদস্য ড০ প্ৰধানে ইহ সংসাৰত পুত্ৰ তথা কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু পত্নীকে ধৰি আত্মীয়-স্বজনক এৰি থৈ যায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীস্থিত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ বাসগৃহলৈ গৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে পৰিশ্ৰম আৰু নম্ৰ স্বভাৱৰ নেতা হিচাপে পৰিচিত ড০ দেবেন্দ্ৰ প্ৰধানৰ মৃত্যুত তেওঁ দুঃখিত। তেওঁ কয় যে ড০ প্ৰধানে ওড়িশাত বিজেপি শক্তিশালী কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে সাংসদ আৰু মন্ত্ৰী হিচাপে দৰিদ্ৰতা দূৰীকৰণ আৰু সমাজ সৱলীকৰণৰ ক্ষেত্ৰত তেওঁৰ অৱদান উল্লেখযোগ্য।

ooooo

ইংলেণ্ডত আজি কাবাডী বিশ্বকাপ ২০২৫ আৰম্ভ হৈছে। প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত ভাৰতীয় পুৰুষ দলে ইটালীৰ দলটোক ৬৪-২২ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে কাবাডী বিশ্বকাপৰ উদ্বোধনী

খেলখনত ইংলেণ্ডে হাংগেৰীক ১০১-২৫ ফলাফলত পৰাস্ত কৰে। পোনপ্ৰথমবাৰৰ বাবে এছিয়াৰ বাহিৰত আয়োজিত কাবাডী বিশ্বকাপত এইবাৰ ৬০ খনতকৈও অধিক খেল খেলোৱা হ'ব। পুৰুষৰ শাখাত ১০ টা আৰু মহিলাৰ শাখাত ছটা দলে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ২০১৯ চনত মালয়েছিয়াই আয়োজন কৰা কাবাডী বিশ্বকাপৰ প্ৰথমটো সংস্কৰণত ভাৰতে পুৰুষ আৰু মহিলা উভয় শাখাতে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছিল।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **জন্মগত সমস্যা আৰু আনুষংগিক বিষয়** সন্দৰ্ভত নতুন দিল্লীস্থিত এইমছৰ শিশু অস্ত্ৰোপচাৰ বিভাগৰ অধ্যাপক ডাঃ প্ৰবোধ গোৱেল আৰু নতুন দিল্লীৰ স্বামী দয়ানন্দ হাস্পতালৰ শিশু আৰু নৱজাতক চিকিৎসা বিভাগৰ মুৰববী ডাঃ সুৰিন্দৰ সিং বিষ্টৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি কিদৰে নৱজাতকৰ জন্মগত সমস্যা চিনাক্ত কৰি চিকিৎসাব ব্যৱস্থা কৰিব পাৰি সেই সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০

সমাপ্ত